# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

————————————————————

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য দিবলৈ আজি ছিংগাপুৰৰ তিনিজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জাঅ'লাংছাত নাৰ্জাৰী নামৰ এই লোককেইজনক এছ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়।

ইপিনে মৰমী দাসৰ নেতৃত্বত এছ আই টিৰ এটা দল আজি জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহত উপস্থিত হৈ ভিছাৰা পৰীক্ষাৰ প্ৰতিবেদন সম্পৰ্কে পৰিয়ালক অৱগত কৰিছে। অৱশ্যে এই প্ৰতিবেদন সন্দৰ্ভত আৰক্ষীয়ে ৰাজহুৱাকৈ কোনো তথ্য সদৰি কৰা নাই। এই তদন্ত প্ৰক্ৰিয়া ক্ষীপ্ৰ গতিত আগবাঢ়িছে বুলি ইতিমধ্যে ৰাজ্য চৰকাৰে সদৰি কৰিছে। তদন্ত প্ৰক্ৰিয়া প্ৰয়োজনতকৈ বেছি খৰতকীয়া কৰিলে তদন্ত আধৰুৱা হোৱাৰ আশংকা থকা হেতুকে জনসাধাৰণক ধৈৰ্য্য সহকাৰে বিচাৰ প্ৰক্ৰিয়াৰ সামৰণিৰ বাবে অপেক্ষা কৰিব অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে আহ্বান জনাইছে।

*(বাইট ঃ মোমিন)*

জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰো আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ভাষ্য গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা এই তিনিজনৰ লগতে ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতা নামৰ প্ৰবাসী অসমীয়াজন এছ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নিশা ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি ভাষ্য দিবলৈ নহা ছিংগাপুৰৰ ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী সকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলি সকিয়াই দিছিল। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক স্বেচ্ছাই আহি ভাষ্য দি আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাত সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছিল। ড° শৰ্মাই কেন্দ্ৰীয় ফৰেণচিক বিজ্ঞান গৱেষণাগাৰে জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন দিয়াৰ পাছত এছ আই টিয়ে তদন্তৰ নিৰ্দিষ্ট গতি লাভ কৰিছে বুলি উল্লেখ কৰি কম দিনৰ ভিতৰতে আদালতত সকলো কথা প্ৰকাশ কৰা হ'ব বুলি জানিবলৈ দিছে। এই ঘটনাৰ তদন্তক লৈ অসম চৰকাৰ, যিদৰে সক্ৰিয় হৈ আছে, সেইদৰে ছিংগাপুৰ আৰক্ষীয়েও সক্ৰিয়ভাৱে তদন্ত চলাই আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে, এছ আই টিয়ে জুবিন গাৰ্গৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিভিন্নজনক সোধাপোছা কৰি ভাষ্য গ্ৰহণ কৰিছে। বিশেষ তদন্তকাৰী গোটে কালি অৰুণ গাৰ্গৰ ভাষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি সাতোজনৰে আৰক্ষীৰ জিম্মাৰ ম্যাদ শীঘ্ৰে অন্ত পৰিব। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে আটাইকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ'ব।

০০০০০

ধেমাজি জিলাৰ জোনাই সমজিলা আৰক্ষীয়ে আজি স্থানীয় দল-সংগঠনৰ সহযোগত জোনাইৰ কুলি তিনিআলিৰ পৰা নিচাযুক্ত সামগ্ৰীসহ দুজন সৰবৰাহকাৰীক আটক কৰে। চিমেনচাপৰিৰ পৰা জোনাই হৈ অৰুণাচল প্ৰদেশৰ আলঙলৈ সামগ্ৰীখিনি লৈ যোৱাৰ সময়তে আৰক্ষীয়ে সৰবৰাহকাৰী দুজনক আটক কৰাৰ লগতে তেওঁলোকে ব্যৱহাৰ কৰা ইন'ভা বাহনখনো জব্দ কৰে।

০০০০০

ৰাজ্যৰ চাহ বাগিচা আৰু বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ কন্যা শিশুক শিক্ষা প্ৰদানৰ লক্ষ্যৰে ইউনিছেফ ইণ্ডিয়াই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। আজি সংস্থাটোৱে ইণ্টাৰ নেচনেল ক্ৰিকেট কাউন্সিল আৰু ইয়ং ইণ্ডিয়ানছ চি আই আই ৱাই আইৰ সহযোগত গুৱাহাটীত আয়োজন কৰা এখন আলোচনা চক্ৰত এই কন্যা শিশুসকলৰ নিৰাপত্তা আৰু জীৱিকাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ কৰ্মপন্থা যুগুত কৰে। তেওঁলোকে এই অঞ্চলসমূহত ৰূপায়ণ কৰিবলগীয়া কাৰ্যসূচীসমূহৰ বিষয়ে আলোচনা কৰে। অনুষ্ঠানত অংশ লৈ ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই এই পদক্ষেপৰ বাবে ইউনিছেফক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০

তিনিচুকীয়া জিলাৰ শদিয়া সমজিলাত কাইলৈ হ'বলগীয়া মেগা স্বাস্থ্য শিবিৰৰ বাবে আজি এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তই শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত আয়োজন কৰা এই শিবিৰৰ ক্ষেত্ৰ পৰিদৰ্শন কৰি প্ৰস্তুতি সন্দৰ্ভত বুজ লয়।

০০০০০

সমাপ্ত